অধ্যায় ১১ ঃ অর্থনৈতিক সংস্কাৰ আৰু বিশ্বায়ন

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 1991ৰ অর্থনৈতিক সংস্কাৰৰ পূর্বৰ অর্থনৈতিক সংকট

11.4 1991ৰ নতুন অর্থনৈতিক নীতি

11.5 অর্থনৈতিক সংস্কাৰৰ পৰৱর্তীকালত পৰা ভাৰতীয় অর্থনীতি

11.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.7 অধিক জানিবলৈ

11.8 অগ্রগতিৰ খতিয়ান

11.9 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- 1991 চনৰ অর্থনৈতিক সংস্কাৰৰ যুক্তি সংগত কাৰণবোৰ বিশ্লেষণ কৰিব পাৰিব,
- 1991 চনৰ অর্থনৈতিক সংস্কাৰলানিৰ প্রধান কার্যক্রমবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- ভাৰতীয় অর্থনীতিত অর্থনৈতিক সংস্কাৰৰ প্রভাৱ সম্পর্কে সমালোচনাত্মক বিশ্লেষণ কৰিব পাৰিব।

১১.২ পৰিচয়

কেন্দ্রীয় পৰিকল্পনাৰ চাৰিটা দশকৰ পাছত, ৰাজহুৱা খণ্ডৰ নিয়ন্ত্রক ব্যৱস্থাৱলী যেনে লাইচেঞ্চ ৰাজ, নিয়ন্ত্রণৰ অসংখ্য বিধি (myriad of control) আৰু আভ্যন্তৰীণ পর্যবেক্ষণৰ কৌশলৰ দ্বাৰা পৰিচালিত হোৱাৰ পৰিণতিত 1991 চনত ভাৰতে অর্থনৈতিক সংস্কাৰৰ বাট মুকলি কৰে। এই ঐতিহাসিক অর্থনৈতিক সংস্কাৰলানি আৰম্ভ কৰিছিল পি ভি নৰসিংহ ৰাও নেতৃত্বাধীন চৰকাৰৰ বিত্ত মন্ত্রী ড^0 মনমোহন সিঙে। পৰিকল্পনাৰপৰা বজাৰ অর্থনীতিলৈ আমাৰ যাত্রা আৰম্ভ কৰা এই সংস্কাৰলানি আৰম্ভ হৈছিল 1991 চনৰ 24 জুলাইত নতুন ঔদ্যোগিক নীতি ঘোষণাৰ জৰিয়তে। এই নতুন ঔদ্যোগিক নীতিয়ে 'ভাৰতীয় ঔদ্যোগিক অর্থনীতিক অনাৱশ্যকীয় আমোলাতান্ত্রিক নিয়ন্ত্রণৰ হাতোৰাৰ পৰা মুকলি কৰাৰ' আহ্বান জনায়। তেতিয়াৰে পৰা ভাৰতে এক দীর্ঘ পৰিক্রমা অতিক্রম কৰি আহিছে আৰু নতুনকৈ বাচি লোৱা উদাৰীকৰণ (liberalisation), বেচৰকাৰীকৰণ (privatisation) আৰু বিশ্বায়ন (globalisation)ৰ বাটেৰে

আগুৱাবলৈ লয়। এই অধ্যায়টিত আমি 1991 চনত আৰম্ভ হোৱা সেই সংস্কাৰলানিৰ বিষয়ে আলোচনা কৰিম। প্ৰথম অনুচ্ছেদত আমি এই বৈপ্লৱিক সংস্কাৰলানিৰ যুক্তিযুক্ততা— ইয়াৰ অন্তৰালত থকা কাৰকবিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰিম। পৰৱৰ্তী অনুচ্ছেদত আমি সংস্কাৰলানিৰ প্ৰধান কাৰ্যক্ৰমবিলাক আঙুলিয়াই দিম। শেষৰ অংশত সংস্কাৰলানিয়ে প্ৰভাৱিত কৰা প্ৰধান দিশসমূহৰ সফলতা আৰু বিফলতা সম্পৰ্কে আলোকপাত কৰিম।

১১.৩ ১৯৯১ৰ অর্থনৈতিক সংস্কাৰৰ পূৰ্বৰ অর্থনৈতিক সংকট

1991 চনৰ জুন মাহত ভাৰতীয় অর্থনীতি এক গভীৰ সংকটৰ স্তৰত উপনীত হয়। উপকূলীয় যুদ্ধ (Gulf War)ৰ পৰিণতিত, আগৰ চৰকাৰবিলাকৰ বিত্তীয় শৃংখলাৰ অভাৱ, অনাবৃষ্টি আৰু বাহ্যিক পৰিশোধৰ বাধ্যবাধকতাৰ বাবে এই সংকটৰ উদ্ভৱ হয়। ইতিহাসত পোন প্ৰথমবাৰৰ বাবে ভাৰতে ইয়াৰ আন্তর্জাতিক প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱৰা অৱস্থাৰ সৃষ্টি হয়। ভাৰতৰ হাওলাত বিক্ৰীৰ হাৰ (credit ratings) অৱনমিত হয় আৰু বিদেশৰ বাণিজ্যিক বজাৰৰ পৰাও ক্ৰয় কৰিব নোৱৰা হয়।

1991 চনৰ আগষ্টত মুদ্ৰাস্ফীতিৰ বাৰ্ষিক হাৰ 17í হোৱাৰ লগে লগে এই সংকটে চৰম পৰ্যায় পায়গৈ। বিদেশী মুদ্ৰাৰ বিনিময়ৰ সংৰক্ষণ এশ কোটি মার্কিন ডলাৰৰ সামান্য ওপৰত ওলমি থাকিল, যিখিনি দেশৰ এসপ্তাহৰ আমদানিৰ পৰিশোধ কৰিবলৈও পৰ্যাপ্ত নহয়। বিত্তীয় নাটনি মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ 8.4í ৰ পৰ্যায় পায়গৈ। পৰিশোধ কৰিবলৈ থকা ধন (Balance of Payment)ৰ চলিত বিত্তীয় নাটনি আছিল প্ৰায় এহেজাৰ কোটি মার্কিন ডলাৰ।

এই তাৎক্ষণিক সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ বহিঃ খণ্ড (external sector)ৰ ওপৰত ভিত্তি কৰি নতুন অর্থনৈতিক নীতি ঘোষণা কৰা হয়, যদিও দেশৰ আভ্যন্তৰীণ অৱস্থা আছিল অত্যন্ত নিৰুৎসাহজনক। অনাবৃষ্টি মুদ্ৰাস্ফীতিৰ উচ্চ হাৰ, বিত্তীয় নাটনি, মুঠ ঘৰুৱা উৎপাদনৰ নিম্নমান, পৰিশোধ কৰিবলৈ থকা ধন (BOP)ৰ সংকট আদিৰ উপৰি ৰপ্তানি বৃদ্ধি কৰাত ব্যর্থতা, বিদেশী পুঁজিৰ উৎসৰ সংকোচন, বিদেশী বিনিময়ৰ সংৰক্ষণ হ্ৰাস পোৱা আদি সকলো প্ৰতিকূলতাই এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছিল, যাৰ বাবে দেশৰ অর্থনীতিত সংঘটিত অর্থনৈতিক কার্যকলাপৰ এক আশু পৰিৱর্তন সাধন কৰাটো জৰুৰী হৈ পৰিছিল। কিন্তু, এইটো মন কৰিবলগীয়া যে, চৰকাৰে অর্থনৈতিক সংস্কাৰৰ পথ গ্ৰহণ কৰিবলগীয়া হোৱা এই ঘোৰ অর্থনৈতিক সংকট একে নিশাই উদ্ভৱ হোৱা নাছিল। কেইবা দশক ধৰি চলি থকা ভুল পৰিচালনা, ভুল পদক্ষেপ আৰু দ্ৰুত পৰিৱর্তনশীল বিশ্ব অর্থনীতিৰ সৈতে খাপ খুৱাই দেশৰ অর্থনীতিক প্ৰত্যাশিত পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বাস্তৱসন্মত আৰু অর্থপূর্ণ কার্যক্ৰমৰ অভাবৰ ই আছিল এক অৱশ্যম্ভাৱী পৰিণত। যাৰ ফলত সমগ্ৰ প্ৰক্ৰিয়াটোতে একধৰণৰ অনগ্ৰসৰতাই বিৰাজ কৰিছিল, যিটো প্ৰক্ৰিয়াক তথাকথিত 'হিন্দুৰ বিকাশৰ হাৰ' (Hindu Rate of Growth) 3.5íএ কুক্ষিগত কৰি ৰাখিছিল আৰু পৰিকল্পনাৰ চাৰিটা দশকৰ পাছতো জনমুৰি আয়ৰ বৃদ্ধি বছৰি 1.5íতে আৱদ্ধ আছিল।

এনেধৰণৰ এক দুখজনক পৰিস্থিতিৰ সৃষ্টি কৰা কাৰকবিলাকেই 1991ৰ সংকটৰ পটভূমি আৰু অর্থনৈতিক সংস্কাৰৰ যুক্তিযুক্ততা উভয়কে প্রতিপন্ন কৰিলে। এতিয়া আমি এই গুৰুত্বপূর্ণ কাৰকবিলাকৰ কেইটামানৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

- **অসন্তোষজনক উন্নয়ন (Unsatisfactory Development) ঃ** চাৰিটা দশকৰ পৰিকল্পনা আৰু দৰিদ্রতা দূৰীকৰণৰ শ শ কার্যক্রম গ্রহণ কৰা সত্ত্বেও, জনসংখ্যাৰ এটা গৰিষ্ঠ অংশই সীমাহীন দাৰিদ্র্য বহন কৰিছিল আৰু ইয়াৰ ফলত সম্ভাৱনাময় মানৰ সম্পদৰ হানি হৈছিল তথা এই অৱস্থা ধাৰাবাহিকভাৱে চলি আছিল আৰু ৰাষ্ট্ৰৰ ওপৰত বোজা ক্রমাৎ বাঢ়ি গৈ আছিল। দৰিদ্রতা সীমাৰেখাৰ তলত (Below the Poverty Line) 260 নিযুত লোকে (মুঠ জনসংখ্যাৰ প্রায় 26í) বাস কৰিছিল। ইয়াৰ পৰিণতিত সাক্ষৰতাৰ হাৰ হ্রাস পাইছিল, মানুহৰ আয়ুসকাল হ্রাস পাইছিল আৰু জীৱন নির্বাহৰ মান অত্যন্ত নিম্নগামী হৈছিল। কেৱল এয়াই নহয়, যিখিনি উন্নয়ন সাধনৰ ব্যৱস্থা কৰা হৈছিল সেইখিনিও অত্যন্ত অনুপযুক্তভাৱে বিতৰণ কৰা হৈছিল। ইয়াৰ পৰিণতিত বিভিন্ন শ্রেণীৰ মাজত, বিভিন্ন অঞ্চলৰ মাজত আৰু গ্রামীণ আৰু নগৰীয়া অঞ্চলৰ মাজত বৈষম্য বাঢ়ি গৈছিল। ই আর্থ-সামাজিক অনগ্রসৰতাৰ সৃষ্টি কৰিছিল, যি বিকাশ আৰু প্রগতিৰ অন্তৰায় হৈ পৰিছিল।
- **ভুল পদ্ধতি (Faulty Methods) ঃ** উন্নয়নৰ বাবে গ্রহণ কৰা পদ্ধতিবিলাকত বিভিন্ন আঁসোৱাহ ৰৈ গৈছিল। প্রকৃত উদ্যোগীসকল, গতিশীল বিনিয়োগকাৰীসকল, দক্ষ পৰিচালকসকল আৰু কঠোৰ পৰিশ্রমী শ্রমিকসকলৰ বিকাশৰ ক্ষেত্রত নিয়ন্ত্রণ বনাম নিয়ামক ব্যৱস্থাটো বৃহত্তম অন্তৰায়ত পৰিণত হৈছিল। ৰাজহুৱা খণ্ডটো আমোলাতান্ত্রিক কাযর্যকলাপ, সময় অপচয়কাৰী কার্য ব্যৱস্থাৰ হাতোৰাত বন্দী হৈ পৰিছিল। যাৰ ফলত চৰকাৰী কোষাগাৰসমূহ বিভিন্ন অসুবিধাৰ সৃষ্টি হৈছিল। সেই বছৰবিলাকত দেশৰ অর্থনৈতিক ক্ষেত্রখনত এক উন্নয়ন বিৰোধী প্রৱণতাই বিৰাজ কৰিছিল। সমগ্র প্রক্রিয়াটোত অর্থনৈতিক দূৰদৃষ্টি, অর্থনৈতিক নেতৃত্বৰ অভাৱ ঘটিছিল, যাৰ ফলত দেশৰ মূল্যবান সম্পদৰাজিৰ আশাপ্রদ ব্যৱহাৰ হোৱা নাছিল।
- **পৰিকল্পনা বিহীন ব্যয় (Non Plan Expenditure) ঃ** পৰিশোধ কৰিবলগীয়া সুত, ৰাজ সাহায্য আৰু প্রতিৰক্ষা ব্যয় নিতৌ বৃদ্ধি পোৱাৰ উপৰি চৰকাৰৰ পৰিকল্পনাবিহীন ব্যয় বছৰি বছৰি বাঢ়ি গৈছিল। ইয়াৰ লগে লগে বিত্তীয় নাটনিৰ সৃষ্টি হৈছিল, যাৰ ফলত ঋণৰ বোজা আৰু মুদ্রাস্ফীতি বৃদ্ধি পাইছিল।
- **মূলধনৰ অপর্যাপ্ততা (Capital Inadequacy) ঃ** দেশৰ অর্থনৈতিক উন্নয়নৰ স্তৰ নিম্ন হোৱা বাবে ইয়াক এক আধুনিক, গতিশীল আৰু বিকাশশীল অর্থনীতিত পৰিণত কৰিবলৈ প্রয়োজন হোৱা মূলধনৰ পৰিমাণ আছিল বৃহৎ। কিন্তু এনে বৃহৎ পৰিমাণৰ মূলধন দেশৰ ভিতৰতে গোটোৱাটো সম্ভৱপৰ নাছিল। ইয়াৰ অর্থ হৈছে এই মূলধন দেশৰ বাহিৰৰ উৎসৰ পৰা আহিব লাগিব। কিন্তু বিদেশৰ পৰা ধাৰ কৰা মানেই ইতিমধ্যে বৃহৎ আকাৰ ধাৰণ কৰা ঋণৰ বোজা অধিক জটিল কৰি তোলা। সেয়ে বিদেশী বেচৰকাৰী মূলধনক আকর্ষিত কৰাটো

সময়ৰ দাবী হিচাপে পৰিগণিত হ'ল। ইয়াৰ বাবে দেশৰ অর্থনীতিক বিশ্বৰ বাবে মুকলি কৰি দিয়াৰ প্ৰয়োজন হ'ল, তাৰ লগে লগে দেশৰ ভিতৰতে দৃষ্টি সীমাৱদ্ধ ৰখাৰ পুৰণা কৌশলটোৰ পৰিৱৰ্তন কৰিবলগীয়া হ'ল। বিদেশী বিনিময়ৰ নাটনি দূৰ কৰিবলৈ আৰু দেশীয় উদ্যোগবিলাকৰ উৎপাদনহীনতা নোহোৱা কৰিবলৈ একমাত্ৰ পথটো হৈছে উদাৰীকৰণক আমন্ত্ৰণ জনোৱা, মুদ্ৰাৰ মূল্য হ্ৰাস কৰা, প্ৰধান বিদেশী বিনিয়োগ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগ উভয়ৰে বাবে উৎসাহজনক অর্থনৈতিক পৰিস্থিতিৰ সৃষ্টি কৰা।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ ঃ 1991 চনৰ জুন মাহত আমাৰ দেশৰ বিদেশী বিনিময়ৰ সংৰক্ষণ কিমান আছিল ?

.....

প্ৰশ্ন ২ ঃ"Hindu Rate of Growth" মানে কি ?

.....

.....

.....

প্ৰশ্ন ৩ ঃ কি তাৎক্ষণিক সংকটৰ পৰিণতিত 1991 চনত অর্থনৈতিক সংস্কাৰলানি গ্ৰহণ কৰা হৈছিল ?

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ 1991ৰ সংকটৰ বাবে জগৰীয়া চাৰিটা কাৰক উল্লেখ কৰক।

.....

.....

.....

.....

১১.৪ ১৯৯১ৰ নতুন অর্থনৈতিক নীতি

ড^{0} মনমোহন সিং ভাৰতৰ বিত্ত মন্ত্ৰী হৈ থাকোতে তেওঁৰ বাজেটত 1991 চনৰ জুন মাহত সিঙে নতুন অর্থনৈতিক নীতিৰ সূচনা কৰে। এইলানি নীতিয়ে দেশৰ অর্থনৈতিক সংস্কাৰৰ এটা যুগৰ সূচনা কৰে, যাক নিম্নোল্লিখিত দুটা গোটত শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ

- অর্থনীতিক পুনৰ সঠিক পথলৈ উভতাই আনিবৰ বাবে এক হ্ৰস্বকালীন স্থিৰীকৰণ কার্যক্রম (stabilisation programme)।
- অর্থনীতিত উদ্ভৱ হোৱা গাঁথনিগত আঁসোৱাহ আৰু জটিলতা আঁতৰাবলৈ মধ্যকালীনৰ পৰা দীর্ঘকালীন গাঁথনিগত নিষ্পত্তি (structural adjustment) কার্যক্রম।

তলত এই দুয়োটা দিশৰ বিশ্লেষণ কৰা হৈছে ঃ

স্থিৰীকৰণ কার্যক্রম (Stabilisation Programme) ঃ এই কার্যক্রমৰ উদ্দেশ্য হৈছে মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰা আৰু পৰিশোধ কৰিবলৈ থকা ধন (BOP)ৰ নাটনি দূৰ কৰে। ইয়াত চাৰিখন পৃথক কার্যক্ষেত্র অন্তর্ভুক্ত আছে। এইকেইখন হৈছে ঃ वित्तीय নীতি, মুদ্রানীতি, বিনিময়ৰ হাৰৰ নীতি আৰু সামাজিক খণ্ডৰ নীতি।

वित्तीय নীতিৰ উদ্দেশ্য হৈছে এহাতে চৰকাৰৰ ব্যয় হ্রাস কৰা আৰু আনহাতে কৰৰ উৎস বৃদ্ধি কৰি চৰকাৰৰ वित्तीय নাটনি হ্রাস কৰা। 1991 চনত वित्तीय নাটনি মুঠ ঘৰুৱা উৎপাদনৰ 8.4 শতাংশৰ পৰা 5% লৈ হ্রাস কৰাৰ লক্ষ্য স্থিৰ কৰা হয়। খাদ্য আৰু সাৰৰ ক্ষেত্রত থকা ৰাজসাহায্যৰ পুনৰীক্ষণ কৰা হয়। কৰৰ গাঁথনি পর্যবেক্ষণ কৰিবলৈ আৰু যুক্তিসংগত ৰাজহ নির্ধাৰণৰ বাবে পৰামর্শ দিবলৈ চেলিয়াহ কমিটিক নিযুক্ত কৰা হয়। এই পদক্ষেপবিলাকৰ পৰিণতিত वित्तीय নাটনি 1991-92ত 6% আৰু 1992-93ত 5.6% লৈ হ্রাস পায়।

মুদ্রানীতিত, সুতৰ হাৰ বৃদ্ধি কৰি ঋণ কঠোৰ কৰি তোলা হয়। वित्तीय খণ্ডৰ সংস্কাৰৰ পদক্ষেপ সম্পর্কে পৰামর্শ দিবলৈ নৰসিংহম কমিটিক নিযুক্ত কৰা হয়। ভাৰতীয় ৰিজার্ভ বেংকক অধিক স্বায়ত্ততা প্রদান কৰা হয় আৰু চৰকাৰী নাটনিৰ স্বয়ংক্রিয় পর্যবেক্ষণৰ ব্যৱস্থা পৰিত্যাগ কৰা হয়।

বিনিময়ৰ হাৰ সঠিক কৰিবলৈ টকাৰ মূল্য 23% হ্রাস কৰা হয়। ফেব্রুৱাৰী মাহত ভাৰত চৰকাৰে বাণিজ্য বৃদ্ধি কৰিবলৈ উদাৰীকৃত বিনিময়ৰ হাৰ পৰিচালনা পদ্ধতি (Liberalized Exchange Rate Management System) গঠনৰ কথা ঘোষণা কৰে। পৰৱর্তী পর্যায়ত 1994-95ৰ বাজেটৰ চলিত হিচাপত টকাক পৰিৱর্তনীয় কৰি তোলা হয়।

সামাজিক খণ্ডত, আফ্রিকান আৰু লেটিন আমেৰিকান দেশবিলাকে দেখুৱাই দিছিল যে স্থিৰীকৰণ কার্যক্রমে দুখীয়া দেশবিলাকক বৈষম্যৰ বলিত পৰিণত কৰিছিল। ৰাজসাহায্য (Subsidies) কর্তন কৰা আৰু কৰ বৃদ্ধি কৰাৰ ফলত দুর্বল আৰু দুখীয়া শ্রেণীসমূহ ক্ষতিগ্রস্ত হৈছিল। ইয়াৰ পৰিণতিত (UNICEF)ৰ দৰে আন্তর্জাতিক সংস্থাবিলাকে এক মানৰীয় প্রমূল্য সহকাৰে এক স্থিৰিকৰণ কার্যক্রম গ্রহণৰ পৰামর্শ দিয়ে। ইয়াৰ প্রতি লক্ষ্য ৰাখি, বৃহৎ অর্থনৈতিক সংকটৰ জোৰা মৰাৰ প্রক্রিয়াত দুর্বল শ্রেণীটোক ক্ষতিগ্রস্ত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ভাৰতীয় সংস্কাৰকাৰীসকলে সংশোধনৰ কিছুমান পদক্ষেপ গ্রহণ কৰে। মূল্যবান সামগ্রীৰ উৎপাদন আৰু দৰিদ্রতা দূৰীকৰণ আঁচনিবিলাকত ধনৰ আৱণ্টন বৃদ্ধি কৰা হয়। সামাজিক সুৰক্ষাৰ এটা কার্যক্রম আৰম্ভ কৰা হয় য'ত অন্তর্ভুক্ত হ'ল— নিয়োগৰ আশ্বাস আঁচনি (Employment Assurance Scheme), প্রধানমন্ত্রী ৰোজগাৰ যোজনা (PMRY), ৰাষ্ট্রীয় সামাজিক সহযোগ কার্যক্রম (Na-

tional Social Assistance Programme), মহিলা সমৃদ্ধি যোজনা (MSY) আৰু ইন্দিৰা মহিলা যোজনা (IMY)। বঞ্চিত হৈ থকা হিতাধিকাৰীসকলক লক্ষ্য কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS) ত্বৰান্বিত কৰা হয়।

গাঁথনিগত নিষ্পত্তি (Structural Adjustment) ঃ গাঁথনিগত নিষ্পত্তিত ঔদ্যোগীক নীতিৰ উদাৰিকৰণ, ৰাজহুৱা খণ্ডৰ সংস্কাৰ, বিত্তীয় খণ্ডৰ সংস্কাৰ আৰু বাণিজ্যিক নীতিৰ সংস্কাৰ অন্তর্ভুক্ত।

1991 চনৰ জুলাই মাহত এক যুগান্তকাৰী নতুন উদ্যোগীক নীতি ঘোষণা কৰা হয়। ইয়াৰ লগে লগে পৰিবেশৰ সমস্যা অথবা ৰাষ্ট্রীয় নিৰাপত্তাৰ সৈতে জড়িত বিষয়বিলাকক বাদ দি অন্য সকলো ক্ষেত্রতে উদ্যোগবিলাকক অনুজ্ঞা-পত্র দিয়াটো বন্ধ কৰা হয়। বৃহৎ ঔদ্যোগিক প্রতিষ্ঠান-বিলাকৰ দ্বাৰা বিনিয়োগ বৃদ্ধি কৰিবলৈ MRTP (Monopolies and Restrictive Trade Practices) আইনখন শিথিল কৰা হয়। ইয়াৰ পাছতে, শেহতীয়াকৈ, MRTP আইনখনৰ ঠাইত এখন নতুন Competition Act প্রৱর্তন কৰা হয়। বিদেশী বিনিময় নিয়ামক আইন (FERA)ৰ ঠাইত বিদেশী বিনিময় পৰিচালনা আইন (FEMA) প্রৱর্তন কৰি আৰু বিদেশী বিনিয়োগ তথা বহু ক্ষেত্রত স্বয়ংক্রিয় সহযোগিতাৰ জৰিয়তে বিদেশী প্রত্যক্ষ বিনিয়োগ (FDI)ক উৎসাহিত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্রহণ কৰা হয়।

ৰাজহুৱা খণ্ডৰ সংস্কাৰবিলাকত এনে কিছুমান ক্ষেত্র অন্তর্ভুক্ত কৰা হয় য'ত ৰাজহুৱা খণ্ড অধিক কার্যক্ষম হয় আৰু নির্বাচিত ক্ষেত্রবিলাকত Equityৰ নির্বিনিয়োজন ঘটে। ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত উদ্যোগৰ সংখ্যা 17ৰ পৰা 6লৈ হ্রাস কৰা হয়। ইয়াৰ লগে লগে 3 বিধ সামগ্রীৰ পৰিমাণ হ্রাস কৰা হয়— আণৰিক শক্তি, আণৰিক শক্তিৰ ক্ষেত্রত ব্যৱহিত কিছুমান পৰিপূৰক সামগ্রী আৰু ৰে'লৱে পৰিবহণ। আনকি বিদেশী প্রত্যক্ষ বিনিয়োগৰ মালিকিস্বত্ত্ব 26í পর্যন্ত অনুমতি দি বেচৰকাৰী খণ্ডৰ বাবে প্রতিৰক্ষা উদ্যোগৰ দুৱাৰো মুকলি কৰি দিয়া হয়। ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান বিলাকৰ পর্যবেক্ষণৰ বাবে বুজাবুজিৰ চুক্তি (MOU) পদ্ধতি আৰম্ভ কৰা হয়। ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানবিলাকৰ গাঁথনিৰ পুনৰ নির্মাণৰ ওলোটা প্রতিফলনৰ পৰা শ্রমিকসকলক সুৰক্ষিত কৰিবলৈ সামাজিক সুৰক্ষা ব্যৱস্থা প্রৱর্তন কৰা হয়।

বিত্তীয় খণ্ডৰ সংস্কাৰলানিৰ আধাৰ হৈছে নৰসিংহম কমিটিৰ পৰামর্শাৱলী। এই সংস্কাৰলানিৰ প্রধান বৈশিষ্টবিলাক হৈছে ঃ

- অতিৰিক্ত চৰকাৰী নিয়ন্ত্রণৰ পৰা বেংক সেৱা ব্যৱস্থাক স্থানান্তৰ নকৰা;
- হাওলাত বিক্রীৰ নিয়ন্ত্রণৰ পদক্ষেপ বিলাক (যেনে, নগদ সংৰক্ষণৰ অনুপাত, সতর্কতা-মূলক তাৰল্যৰ অনুপাত)ৰ ওপৰত নির্ভৰ কৰাৰ চৰকাৰী প্রৱণতা আৰু ব্যয়বিহীন হাওলাত (Inexpensive Credit)ৰ বিভিন্ন উৎসৰ ওপৰত থকা নির্ভৰশীলতা নোহোৱা কৰা।
- তদর্থ সঞ্চয় বিধেয়ক (Adhoc Treasury Bills), 1994 বন্ধ কৰা সম্পর্কে ভাৰতীয় ৰিজার্ভ বেংকৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

1992 চনৰ ফেব্রুৱাৰী মাহত Security Exchange Board of India (SEBI)ৰ প্রতিষ্ঠাৰ লগে লগে মূলধনী বজাৰৰ সংস্কাৰ আৰম্ভ হয়। বিনিয়োগৰ ক্ষেত্রত মুখ্য ভূমিকা গ্রহণ কৰিবলৈ বিদেশী প্রতিষ্ঠানিক বিনিয়োগকাৰীসকলক অনুমতি দিবৰ বাবে আৰু ভাৰতীয় কোম্পানীসমূহক ইউৰ'ৰ বিষয়বিলাক সামৰি লবলৈ অনুমতি দিবৰ বাবে অন্যান্য পদক্ষেপসমূহ গ্রহণ কৰা হয়। সেই বছৰবিলাকত মূলধনী বজাৰত কেইবালানিও সংস্কাৰ সাধন কৰা হয় আৰু এই ক্ষেত্রত SEBIয়ে সক্রিয় ভূমিকা পালন কৰে। সম্প্রতি ভাৰতীয় মূলধনী বজাৰখন কম বেছি পৰিমাণে কেলেংকাৰিমুক্ত হৈছে। P Note (Participatory note) ইছ্যু ইত্যাদিৰ দৰে ভুল কার্যকলাপ আঁতৰ কৰা হৈছে। সেয়ে বর্তমান, ভাৰতীয় ষ্টক মার্কেটখন পৃথিৱীৰ সবাটোকৈ শক্তিশালী আৰু সর্বোত্তম মার্কেটবিলাকৰ অন্যতম হৈ পৰিছে। প্রাথমিক বজাৰখনো বর্তমান শক্তিশালী। ভাৰতীয় অর্থনৈতিৰ বৃহৎ মৌলিকতা বিলাক (Macro Fundamentals)ৰ শক্তি যথেষ্ট বৃদ্ধি পাইছে, ভাৰতীয় ষ্টক মার্কেটৰ গাঁথনি এতিয়া ষাড়ৰ দৌৰত অৱতীর্ণ বুলি কোৱা হয়।

বাণিজ্যিক নীতিৰ সংস্কাৰলানিৰ ফলত আমদানিৰ অনুজ্ঞা-পত্র পদ্ধতিৰ গুৰুতৰ পৰিৱর্তন সাধন হয়। উপভোক্তাৰ সামগ্রীবিলাকৰ বাহিৰে আন সকলো Non-tariff Barriers (NTBS) প্রত্যাহাৰ কৰা হৈছে। Peak tariff rates 355íৰ পৰা প্রায় 50í লৈ হ্রাস কৰা হৈছে। বিশ্ব বাণিজ্য সংস্থা (WTO)ৰ এখন সদস্য ৰাষ্ট্র হিচাপে এই tariff rate আৰু হ্রাস কৰিবলৈ ভাৰত প্রতিশ্রুতিবদ্ধ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃকেতিয়া আৰু কোনে ভাৰতৰ নতুন অর্থনৈতিক নীতি ঘোষণা কৰিছিল ?

.....

.....

প্রশ্ন ৬ ঃ 1991 চনৰ অর্থনৈতিক সংস্কাৰলানিৰ দুটা বিস্তৃত উপাদান উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ৭ ঃ স্থিতিকৰণ কার্যক্রমৰ অধীনস্থ চাৰিখন পৃথক কার্যক্ষেত্র উল্লেখ কৰক।

.....

.....

.....


.....

১১.৫ অর্থনৈতিক সংস্কাৰৰ পৰৱর্তীকালত ভাৰতীয় অর্থনীতি

1991 চনৰ পাছত ভাৰতীয় অর্থনীতিত বহুতো ইতিবাচক গুৰুত্বপূর্ণ বৈশিষ্ট্য পৰিলক্ষিত হয় আৰু ই নিজকে বিশ্বৰ অন্যতম বিকাশশীল অর্থনীতি হিচাপে ক্রমান্বয়ে প্রতিষ্ঠা কৰিবলৈ লয়। এই অর্থনৈতিক সংস্কাৰলানিৰ ইতিবাচক সফলতাবিলাক হৈছে ঃ

- সংস্কাৰৰ সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ বৃদ্ধিৰ হাৰ উল্লেখযোগ্য ভাৱে বৃদ্ধি পায়। 1980–91 সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদনৰ গড় বৃদ্ধিৰ হাৰ আছিল মাত্র 5.8í¼ 2001–07ৰ সময়ছোৱাত এইপৰিমাণ 7.2íলৈ বৃদ্ধি পায়, যিটো আছিল পৃথিৱীৰ ভিতৰত দ্বিতীয় বৃহত্তম। যোৱা ৩০ বছৰত (১৯৯৩-২০২২) ভাৰতীয় অর্থনীতিৰ জিডিপি বৃদ্ধিৰ হাৰ চিত্র ১১.১ ত দেখুওৱা হৈছে।

চিত্র ১১.১ঃ যোৱা ৩০ বছৰৰ ভিতৰত (১৯৯৩-২০২২) ভাৰতৰ জিডিপি বৃদ্ধিৰ হাৰ



উৎস: https//www.macrotrends.net/countries/IND/india.gdp-growth-rate


সামৰণিত ক'ব পাৰি যে বাৰতীয় অর্থনীতিৰ 'হিন্দু হাৰৰ বৃদ্ধি'-ৰ দিনবোৰ যেন অৱশেষত শেষ হ'ল।

- ভাৰতীয় উদ্যোগৰ বিকাশৰ হাৰ 1980ৰ দশকত 7í হোৱাৰ বিপৰীতে সংস্কাৰৰ দশকটোত 8.1íহ'গৈ। এইহ'ৰ আৰু অধিক হ'লহেতেন যদিও 1996–97, 1997–98আৰু1998–99ৰ সময়ছোৱাত উদ্যেগিক খণ্ডৰ বিকাশ ত্বৰান্বিত নাছিল। 2004–05ৰ পৰা ঔদ্যোগিক গড় বিকাশৰ হাৰ প্রায় 9.5í । ৭ নং অধ্যায়ত আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে শেহতীয়া বছৰবোৰত (ভিত্তি বছৰ: ২০১১-১২=১০০) শিল্প উৎপাদন সূচকাংক (Index of industrial production: IIP) ২০১৬-১৭ চনত ১১৪.৬ লৈ বৃদ্ধি পাইছে, ২০১৭-১৮ চনত ই ১০৪.৪ লৈ হ্রাস পাইছে আৰু ২০১৮-১৯ চনত ১০৩.৮ লৈ হ্রাস পাইছে। তদুপৰি, ২০১৯-২০ চনত IIP ১২৯ লৈ বৃদ্ধি পাইছিল যদিও ২০২০-২১ চনত পুনৰ ১১৮.১ লৈ হ্রাস পাইছিল। ২০২১-২২ চনত IIP আৰু বৃদ্ধি পাই ১৩১.৬ হৈছিল (উৎস: CSO, MOSPI)
- কৃষিখণ্ডৰ বিকাশৰ হাৰ সংগতিপূর্ণ নহয়, 1997–98ত এই হাৰ 0.7í হোৱাৰ বিপৰীতে

2003-04ত 9.1% আৰু বর্তমান প্রায় 2.8%¼ কিন্তু এইখণ্ডটোত উল্লেখাযোগ্য বিচিত্রতা পৰিলক্ষিত হৈছে। অর্থনৈতিক সমীক্ষা (২০২২-২৩) অনুসৰি ভাৰতৰ কৃষি খণ্ডই যোৱা ছবছৰত গড় বার্ষিক বৃদ্ধিৰ বাৰ ৪.৬ শতাংশৰে শক্তিশালী বৃদ্ধিলাভ কৰিছে।

- বিদেশী প্রত্যক্ষ বিনিয়োগ (FDI) 1991ত আছিল 200 নিযুত মার্কিন ডলাৰ আৰু 1997ত ই হয়গৈ 14.6 বিলিয়ন মার্কিন ডলাৰ। সংস্কাৰৰ সময়ছোৱাত বিদেশী মূলধনৰ প্রবাহ কেনে আছিল সেই কথা ইয়াৰ দ্বাৰাই বুজিব পাৰি যে 1991ত বিদেশী বিনিময়ৰ সংৰক্ষণ (forex reserve) আছিল 100 কোটি (1 বিলিয়ন) মার্কিন ডলাৰ, বর্তমান সর্বমুঠ বিদেশী বিনিময়ৰ সংৰক্ষণ হৈছেগৈ প্রায় 300 বিলিয়ন মার্কিন ডলাৰ। ২০১৪-১৫ বিত্তীয় বর্ষত ভাৰতত প্রত্যক্ষ বিদেশী বিনিয়োগৰ প্রবাহ ৪৫.১৫ বিলিয়ন ডলাৰ আছিল, যিটো ২০১৬-১৭ চনত ৬০.২২ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে আৰু ২০২১-২২ বিত্তীয় বর্ষত প্রত্যক্ষ বিদেশী বিনিয়োগৰ প্রবাহ ৮৩.৫৭ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। ২০২২-২৩ বিত্তীয় বর্ষত দেশত মুঠ প্রত্যক্ষ বিদেশী বিনিয়োগৰ প্রবাহ ৭০.৯৭ বিলিয়ন ডলাৰ আছিল (উৎস: www.investindia.gov.in)।
- 1985-91 ৰ সময়ছোৱাত বিত্তীয় নাটনি বহন কৰিব পৰা পর্যায়লৈ অনা হয় অর্থাৎ 7-8% ৰ পৰা মুঠ ঘৰুৱা উৎপাদনৰ 6% তললৈ অনা হয়। Fiscal Rersponsibility and Budgetary Management (FRBM) Act, 2003 ৰ অনুমোদনৰ লগে লগে বর্তমান বিত্তীয় নাটনি 3% লৈ অৱনমিত কৰিবলৈ চৰকাৰখন নৈতিকভাৱে দায়বদ্ধ। অৱশ্যে, বৃহৎ মণ্ডাৰস্থা (2007-09) ই সৃষ্টি কৰা ব্যতিক্রম পৰিস্থিতিৰ বাবে 2009-10 চনত বিত্তীয় নাটনি 6.8% লৈ বৃদ্ধি পায়, তথাপি 2012-13 চনত প্রায় 4% লৈ হ্রাস কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। শেহতীয়া বছৰবোৰত জিডিপিৰ শতাংশ বিত্তীয় ঘাটি চিত্র ১১.২ ত দেখুওৱা হৈছে।

চিত্র ১১.২ঃ জিডিপিৰ শতাংশ হিচাপে ভাৰতৰ বিত্তীয় ঘাটি



* কেৱল অনুমান

উৎসঃ http//www.statista.com/statistics/802020/india-gross-fiscal-deficit-in-relation-to-gdp/

- ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ত বাণিজ্যৰ অংশ 1990–91 চনত 14 á আছিল আৰু 1998–99 ত এই পৰিমাণ 28 á লৈ বৃদ্ধি পায়। আমদানি আৰু ৰপ্তানিৰ হাৰ ধাৰাবাহিকভাৱে বৃদ্ধি পোৱাৰ ফলতে এয়া সম্ভৱ হ'ল। শেহতীয়া বছৰবিলাকত ৰপ্তানি প্ৰায় 20 á বৃদ্ধি পায় আৰু আমদানি বৃদ্ধি পায় 25–26 á¼ অৰ্থনৈতিৰ সমীক্ষা (২০২২-২৩) অনুসৰি, বিশ্বৰ জিডিপিৰ শতাংশ হিচাপে বিশ্ব বাণিজ্যৰ অংশ ২০০৩ চনৰ পৰা ৫০-৬০% ৰ ভিতৰত আছিল আৰু ২০২০ চনত ৫২% আছিল। ভাৰতৰ ক্ষেত্ৰতো সেয়া ২০০৫ চনৰ পৰা ৪০% ৰ ওপৰত (২০২০ বৰ্ষ Covid-19 মহামাৰী বৰ্ষ হোৱাৰ বাহিৰে) আছিল। ২০২১ চনত এই অনুপাত আছিল ৪৬%।

অৱশ্যে, এই অৰ্থনৈতিক সংস্কাৰৰ ফলত ওপৰত উল্লেখ কৰা সফলতাবিলাক লাভ কৰিছিল যদিও, সমালোচকসকলে সংস্কাৰলানিৰ কিছুমান আসোঁৱাহ আৰু বিফলতাও আঙুলিয়াই দিছে। এইবিলাকৰ ভিতৰত আছে ঃ

- মুঠ ঘৰুৱা উৎপাদনৰ এই চকুত লগা বৃদ্ধিৰ হাৰে ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান অধিক কৰি তুলিলে। প্ৰাপ্ত প্ৰমাণবিলাকৰ দ্বাৰা এই কথা প্ৰতিপন্ন হৈছে যে 1980 ৰ দশকৰ তুলনাত সংস্কাৰৰ পৰৱৰ্তী সময়ছোৱাত গ্ৰাম্য দৰিদ্ৰতা অধিক বৃদ্ধি পালে। ইয়াৰ বিপৰীতে সংস্কাৰৰ সময়ছোৱাত অৱশ্যে নগৰীয়া দৰিদ্ৰতা দ্ৰুত গতিত হ্ৰাস পায়। এনেদৰে দেখা গ'ল যে সংস্কাৰ প্ৰক্ৰিয়াটো নগৰৰ প্ৰতি পক্ষপাতমূলক।
- বিত্তীয় নাটনি হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত দেখা গ'ল যে বিশেষকৈ সামজিক খণ্ডত ৰাজহুৱা বিনিয়োগ হ্ৰাস কৰাৰ জৰিয়তে বিত্তীয় শৃংখলা আহৰণ কৰা হ'ল, ইয়াৰ বাবে চৰকাৰী ব্যয়ো সামান্য কৰ্তন কৰিবপৰা গ'লহেঁতেন। উদাহৰণ স্বৰূপে, 2000–01 বৰ্ষতে এই বিত্তী নাটনি আছিল 19,000 কোটি টকা। এই কৰ্তনৰ প্ৰভাৱ কৃষি আৰু গ্ৰামোন্নয়নৰ ওপৰত অধিক পৰিল।
- সমালোচকসকলে লগতে আঙুলিয়াই দিছে যে বহুতো বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ ক্ষেত্ৰত অভিভাৱক কোম্পানীৰ পৰা তেওঁলোকৰ অধিনস্থ কোম্পানীবিলাকলৈ ধনৰ প্ৰবাহ হয়, অভিভাৱক কোম্পানীবিলাকে কম বজাৰ মূল্যত অধীনস্থ কোম্পানীবিলাকৰ শ্বেয়াৰ আহৰণ কৰি এই কাৰ্য সম্পন্ন কৰে। তাৰপাছত এই কোম্পানীবিলাকে নতুন উপভোগ্য সামগ্ৰী বজাৰত মোকলাই দিয়ে আৰু একেধৰণৰ সামগ্ৰী উৎপাদন কৰা দেশীয় প্ৰস্তুতকৰ্তাসকলৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। এই কথাও সত্য যে দেশৰ পৰা ৰপ্তানি কৰাৰ ক্ষেত্ৰত বহুজাতিক কোম্পানীবিলাকৰ অৰিহণা উল্লেখযোগ্য নহয়।
- গাঁথনিগত সংস্কাৰৰ ক্ষেত্ৰত কেতবোৰ জটিলতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, সংস্কাৰ প্ৰক্ৰিয়াৰ পৰিণামস্বৰূপে ঔদ্যোগিক নিয়োগ বন্ধ হোৱাৰ বিপৰীতে আমাৰ দেশত এতিয়াও এটা ফলপ্ৰসূ সামাজিক সুৰক্ষাৰ ব্যৱস্থা প্ৰতিষ্ঠা নহ'ল।

- পূৰ্ব পৰিকল্পনা অনুসৰি চৰকাৰৰ নিৰ্বিনিয়োজন নীতি (Disinvestment Policy) কাৰ্যকৰী কৰা নহ'ল। ইয়াৰ পৰিণামস্বৰূপে পুঁজিৰ বাবে ঋণৰ ব্যৱস্থা কৰিব লগা হয়, ৰাজহুৱা খণ্ডৰ অধীনস্থ প্ৰতিষ্ঠানবিলাকৰ প্ৰয়োজনীয় নিৰ্বিনিয়োজন বন্ধ কৰি ৰখা হ'ল।
- পৰ্যবেক্ষকসকলে লগতে আঙুলিয়াই দিছে যে এই সংস্কাৰলানিয়ে বিশ্বৰ বিভিন্ন অৰ্থনীতিৰ অকল্পনীয় আগ্ৰাসনৰ বাবে ভাৰতীয় অৰ্থনীতিৰ দুৱাৰ মুকলি কৰি দিলে। আমাৰ অৰ্থনীতিৰ বিকাশত ঘৱঁৰা চাহিদাই বিশেষ অৰিহণা যোগোৱা সত্ত্বেও আমাৰ মূলধনী বজাৰখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফেডাৰেল সংৰক্ষণ পদ্ধতিৰ সুতৰ হাৰৰ পৰিৱৰ্তন, জাপানৰ পৰিশোধ কৰিবলৈ থকা ধন (BOP), চীনৰ বিকাশৰ সম্ভাৱনা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ Sub Prime Loansৰ ক্ষেত্ৰত থকা সমস্যাবিলাকৰ প্ৰতি উন্মুক্ত কৰি দিয়া হ'ল। দেশৰ বাহিৰৰ অৰ্থনৈতিক জটিলতাবিলাকৰ পৰা আমাৰ দেশৰ উন্নয়নশীল অৰ্থনীতিক পৃথক কৰি ৰাখিব লাগিছিল বুলি সমালোচকসকলে কয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ বিশ্বৰ দ্বিতীয় দ্ৰুততম বিকাশশীল অৰ্থনীতি কোনটো?

.....

প্ৰশ্ন ৯ ঃ FRBMৰ সম্পূৰ্ণ ৰূপ কি?

.....

প্ৰশ্ন ১০ ঃশেহতীয়া বছৰবিলাকত ভাৰতৰ আমদানি আৰু ৰপ্তানিৰ বিকাশৰ গড় হাৰ কিমান?

.....

.....

.....

প্ৰশ্ন ১০ ঃবৰ্তমানলৈকে ভাৰতীয় অৰ্থনৈতিক সংস্কাৰলানিৰ দুটা প্ৰধান বিফলতা উল্লেখ কৰক।

.....

.....

.....

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 1991 চনত ভাৰতে অৰ্থনৈতিক সংস্কাৰৰ বাট মুকলি কৰে। এই ঐতিহাসিক অৰ্থনৈতিক সংস্কাৰলানি আৰম্ভ কৰিছিল পি ভি নৰসিংহ ৰাও নেতৃত্বাধীন চৰকাৰৰ বিত্ত মন্ত্ৰী ড^{0} মনমোহন সিঙে। পৰিকল্পনাৰ পৰা বজাৰ অৰ্থনীতিলৈ আমাৰ যাত্ৰা আৰম্ভ কৰা এই সংস্কাৰলানি

আৰম্ভ হৈছিল 1991 চনৰ 24 জুলাইত নতুন ঔদ্যোদিক নীতি ঘোষণাৰ জড়িয়তে। এই নতুন ঔদ্যোগিক নীতিয়ে "ভাৰতীয় ঔদ্যোগিক অর্থনীতিক অনাৱশ্যকীয় আমোলাতান্ত্রিক নিয়ন্ত্রণৰ হাতোৰাৰ পৰা মুক্ত কৰাৰ" আহ্বান জনায়।

- 1991 চনৰ জুন মাহত ভাৰতীয় অর্থনীতি এক গভীৰ সংকটৰ স্তৰত উপনীত হয়। উপকূলীয় যুদ্ধৰ পৰিণতি, আগৰ চৰকাৰবিলাকৰ বিত্তীয় শৃংখলাৰ অভাৱ, অনাবৃষ্টি আৰু বাহ্যিক পৰিশোধৰ বাধ্য বাধকতাৰ বাবে এই সংকটৰ উদ্ভৱ হয়। ইতিহাসত পোন প্রথমবাৰৰ বাবে ভাৰতে ইয়াৰ আন্তর্জাতিক প্রতিশ্রুতি ৰক্ষা কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। ভাৰতৰ হাওলাত বিক্রীৰ হাৰ (Credit ratings) অৱনমিত হয় আৰু বিদেশৰ বাণিজ্যিক বজাৰৰ পৰাও ক্রয় কৰিব নোৱাৰা হয়।
- 1991 চনৰ আগষ্টত মুদ্রা স্ফীতিৰ বার্ষিক হাৰ 17% হোৱাৰ লগে লগে এই সংকটে চৰম পর্যায় পায়গৈ। বিদেশী মুদ্রাৰ বিনিময়ৰ সংৰক্ষণ 100 কোটি মার্কিন ডলাৰৰ সামান্য ওপৰত ওলমি থাকিল, যিখিনি দেশৰ এসপ্তাহৰ আমদানিৰ পৰিশোধ কৰিবলৈ পর্যাপ্ত নহয়। বিত্তীয় নাটনি মুঠ ঘৰুৱা উৎপাদনৰ 8.4 শতাংশৰ পর্যায় পায়গৈ। পৰিশোধ কৰিবলৈ থকা ধন (BOP)ৰ চলিত বিত্তীয় নাটনি আছিল প্রায় 1000 কোটি মার্কিন ডলাৰ।
- চৰকাৰে অর্থনৈতিক সংস্কাৰৰ পথ গ্রহণ কৰিবলগীয়া হোৱা এই ঘোৰ অর্থনৈতিক সংকট একে নিশাই উদ্ভৱ হোৱা নাছিল। কেইবা দশক ধৰি চলি থকা ভুল পৰিচালনা, ভুল পদক্ষেপ আৰু দ্রুত পৰিৱর্তনশীল বিশ্ব অর্থনীতিৰ সৈতে খাপ খুৱাই দেশৰ অর্থনীতিক প্রত্যাশিত পথেৰে আগুৱাই নিয়াৰ ক্ষেত্রত বাস্তৱ সন্মত আৰু অর্থপূর্ণ কার্যক্রমৰ অভাৱৰ ই আছিল অৱশ্যাম্ভাৰী পৰিণতি। যাৰ ফলত সমগ্র প্রক্রিয়াটোতে একধৰণৰ অনগ্রসৰতাই বিৰাজ কৰিছিল, যিটো প্রক্রিয়াক তথাকথিত "হিন্দুৰ বিকাশৰ হাৰ" (Hindu Rate of Growth) 3.5%-এ কুক্ষিগত কৰি ৰাখিছিল আৰু পৰিকল্পনাৰ চাৰিটা দশকৰ পাছতো জনমূৰি আয়ৰ বৃদ্ধি বছৰি 1.5% তে আৱদ্ধ আছিল।
- ভাৰতৰ অর্থনৈতিক সংস্কাৰলানিত বিস্তৃতভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ
  - অর্থনীতিক পুনৰ সঠিক পথলৈ ওভতাই আনিবৰ বাবে এক হ্রস্বকালীন স্থিৰীকৰণ কার্যক্রম (stabilisation Programme)।
  - অর্থনীতিত উদ্ভৱ হোৱা গাঁথনিগত আঁসোৱাহ আৰু জটিলতা আঁতৰাবলৈ মধ্যকালীনৰ পৰা দীর্ঘকালীন গাঁথনিগত নিষ্পত্তি (structural adjustment) কার্যক্রম।
- স্থিৰীকৰণৰ উদ্দেশ্য হৈছে মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰা আৰু পৰিশোধ কৰিবলৈ থকা ধন (BOP)ৰ নাটনি দূৰ কৰা। ইয়াত চাৰিখন পৃথক কার্যক্ষেত্র অন্তর্ভুক্ত—বিত্তীয় নীতি, মুদ্রা নীতি, বিনিময়ৰ হাৰৰ নীতি আৰু সামাজিক খণ্ডৰ নীতি। গাঁথনিগত নিষ্পত্তিত ঔদ্যোগিক নীতি উদাৰীকৰণ, ৰাজহুৱা খণ্ডৰ সংস্কাৰ, বিত্তীয় খণ্ডৰ সংস্কাৰ আৰু বাণিজ্যিক নীতিৰ সংস্কাৰ অন্তর্ভুক্ত।
- অর্থনৈতিক সংস্কাৰলানিৰ প্রধান সফলতাবিলাক হৈছে ঃ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ

বৃদ্ধি, উদ্যোগ খণ্ডৰ সামগ্রিক বিকাশ ৪% ৰো অধিক বৃদ্ধি, কৃষি খণ্ডৰ বৈচিত্র্যকৰণ,বিদেশী প্রত্যক্ষ বিনিয়োগৰ প্রৱাহ বৃদ্ধি আৰু ভাৰতৰ বিদেশী মুদ্রাৰ সংৰক্ষণ বৃদ্ধি, বিত্তীয় নাটনি হ্রাস, FRBM আইন প্রস্তুত, আমাৰ মুঠ ঘৰুৱা উৎপাদনত বিদেশী বাণিজ্যৰ অংশৰ পৰিপূৰকভাৱে বৃদ্ধি।

- অৱশ্যে এই সংস্কাৰলানিৰ কিছুমান বেয়া ফলো নথকা নহয়। ইয়াৰে গুৰুত্বপূর্ণ বিফলতাবিলাক হৈছে ঃ ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান বৃদ্ধি, ৰাজহুৱা খণ্ডৰ বিনিয়োগ হ্রাস, বিশেষকৈ সামাজিক খণ্ডত, বহুজাতিক প্রতিষ্ঠান বিলাকৰ ৰপ্তানিৰ ক্ষেত্রত নিৰুৎসাহজনক অৱিহণা, সামাজিক সুৰক্ষা ব্যৱস্থাৰ অভাৱত কর্ম শক্তিৰ অপর্যাপ্ততা, ৰাজহুৱা খণ্ডৰ প্রচিষ্ঠান বিলাকৰ নির্বিনিয়োজনৰ ক্ষেত্রত লেহেমীয়া অগ্রগতি আৰু আন্তর্জাতিক জটিলতা বিলাকৰ বাবে ভাৰতীয় অর্থনীতিৰ দুৱাৰ মুকলি কৰা।

১১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1) ড০ প্রণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অর্থনীতি— ইয়াৰ পৰিৱর্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ।

2) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অর্থনীতি (উত্তৰ-পূর্বাঞ্চলৰ অর্থনীতিসহ)*, বনলতা।

ইংৰাজী গ্রন্থ ঃ

1) Agrawal, A. N. *Indian Economy: Developmental Problems and Policies.* New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

3) Kapila, U. *Indian Economy since Independence.* New Delhi: Academic Foundation.

4) Misra, S.K. & Puri, V.K. (*Indian Economy.* New Delhi: Himalya Publishing House.

১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ এই পৰিমাণ আছিল 100 কোটি মার্কিন ডলাৰতকৈ সামান্য বেছি যিখিনি দেশৰ এসপ্তাহৰ আমদানিৰ মূল্য পৰিশোধ কৰিবলৈও পর্যাপ্ত নহয়।

২ নং প্রশ্ন উত্তৰ ঃ "Hindu Rate of Growth"এ ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ লেহেমীয়া বিকাশক বুজাইছে, এই বিকাশৰ হাৰ আছিল প্রায় 3.5%যি জনমুৰি আয়ৰ বিকাশ পৰিকল্পনাৰ প্রথম চাৰিটা দশকত বছৰি মাত্র 1.5%তে আৱদ্ধ ৰাখিছিল।

৩ নং প্রশ্ন উত্তৰ ঃ ই আছিল এনে এক পৰিস্থিতি য'ত ভাৰতে ইয়াৰ ইতিহাসত প্রথমবাৰৰ বাবে

আন্তর্জাতিক প্রতিশ্রুতি ৰক্ষা কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছিল। ভাৰতৰ হাওলাত বিক্রীৰ হাৰ অৱনমিত হৈছিল আৰু বিদেশী বজাৰৰ পৰাও হাওলাত ক্রয় কৰিব নোৱাৰা হৈছিল।

৪ নং প্রশ্ন উত্তৰ ঃ চৰিটা প্রধান কাৰক হৈছে ঃ উপকূলীয় যুদ্ধ, আগৰ চৰকাৰবিলাকৰ বিত্তীয় নিয়মানুৱর্তিতাৰ অভাৱ, অনাবৃষ্টি আৰু বিদেশী ঋণৰ বোজা বৃদ্ধি।

৫ নং প্রশ্ন উত্তৰ ঃ ড^{0} মনমোহন সিং ভাৰতৰ বিত্ত মন্ত্রী হৈ থাকোতে তেওঁৰ বাজেটত 1991 চনৰ জুন মাহত নতন অর্থনৈতিক নীতি ঘোষণা কৰিছিল।

৬ নং প্রশ্ন উত্তৰ ঃ দেশৰ অর্থনীতিক সঠিক পথলৈ ওভটাই আনিবৰ বাবে এক হ্রস্বকালীন স্থিৰীকৰণ কার্যক্রম (structural adjustment Programme) আৰু অর্থনীতিৰ জটিলতা আৰু আঁসোৱাহ আঁতৰাবলৈ মধ্যকালীনৰ পৰা দীর্ঘকালীন এক গাঁথনিগত নিষ্পত্তি কার্যক্রম (structural adjustment Programme)।

৭ নং প্রশ্ন উত্তৰ ঃ চাৰিখন পৃথক ক্ষেত্র হৈছে ঃ বিত্তীয় নীতি, মুদ্রা নীতি, বিনিময় হাৰ নীতি আৰু সামাজিক খণ্ড নীতি।

৮ নং প্রশ্ন উত্তৰ ঃ ভাৰত।

৯ নং প্রশ্ন উত্তৰ ঃ বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা

১০ নং প্রশ্ন উত্তৰ ঃ বছৰি প্রায় 20¼

১১ নং প্রশ্ন উত্তৰ ঃ ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধানবৃদ্ধি, ৰাজহুৱা বিনিয়োগ হ্রাস, বিশেষকৈ সামাজিক খণ্ডত।



১১.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ 1991 চনৰ অর্থনৈতিক সংস্কাৰ নীতি গ্রহণ কৰা পূর্বৱর্তী সময়ছোৱা সম্পর্কে এক চমুটোকা লিখক।

২ নং প্রশ্ন ঃ গাঁথনিগত নিষ্পত্তি কার্যক্রমৰ ওপৰত এটি চমুটোকা প্রস্তুত কৰক।

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ 1991 চনৰ ভাৰতৰ অর্থনৈতিক সংস্কাৰলানিৰ সপক্ষে যুক্তি দর্শাই এটা টোকা লিখক।

২ নং প্রশ্ন ঃ গাঁথনিগত নিষ্পত্তি কার্যক্রমৰ অধীনত গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে আলোচনা কৰক।

৩ নং প্রশ্ন ঃ অর্থনৈতিক সংস্কাৰলানিৰ অধীনত স্থিৰীকৰণ কার্যক্রমৰ বাবে গ্রহণ কৰা পদক্ষেপসমূহ বিশ্লেষণ কৰক।

৪ নং প্রশ্ন ঃ ভাৰতীয় অর্থনীতিৰ ওপৰত অর্থনৈতিক সংস্কাৰলানিৰ প্রভাৱ সম্পর্কে সমালোচনাত্মক ব্যাখ্যা দাঙি ধৰক।

*** ***** ***



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

অসমীয়া গ্ৰন্থ ঃ

1) ড০ প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ, (শেহতীয়া সংস্কৰণ)।

2) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা, (শেহতীয়া সংস্কৰণ)।

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, A.N. *Indian Economy: Problems of Development and Planning*, Ed., New Age International.
2) Datt, G & Mahajan, A.' Indian Economy.' New Delhi. S Chand and Company Pvt. Ltd.
3) Dhingra, I. C. Indian Economy: Environment and Policy, Sultan Chand & Sons
4) Global Food Security Index, -An annual measure of the state of global food security. Retrieved from www.google.co.in
5) Global Hunger index ,Retrieved from http://www.Ifpri.org
6) Kapila, U *Indian Economy: Performance and Policies*, 15th Edition, Academic Foundation.
7) Misra and Puri : *Indian Economy: Its Development Experience*, 31st Ed., Himalaya Publishing House.
8) Pieters, H, A Guariso and A Vandeplas: " Conceptual Framework for the Analysis of Determinants of Food and Nutrition Security", FOODSECURE working paper no.13
9) Puri, V.K & Misra, S.K. 'Indian Economy'. Mumbai. Himalaya Publishing House Pvt.Ltd.
10) Sen, A. K 'Poverty and Famines: An Essay on Entitlement and Deprivation.' Oxford University Press.
11) Webb, P & R Bhatia : " Measuring and Interpreting Malnutrition and Mortality",Nutrition Service, WFP, Rome.
12) Economic Survey of India (various Issues)
13) RBI Handbook of Indian Economy (Various issues).

Websites:

1) www.statista.com
2) www.economictimes.com
3) www.macrotrends.com
4) www.wordlbank.org